# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 21-03-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিকশিত ভাৰত নিৰ্মাণৰ প্ৰথম খোজ হিচাপে গাঁওসমূহক বিকশাই তোলাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে।

২। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ৪৫ হাজাৰ কোটি ডলাৰৰ সেৱা ৰপ্তানিৰ লক্ষ্যত উপনীত হোৱাৰ বাবে চৰকাৰ আৰু তথ্য প্ৰযুক্তি খণ্ডক যৌথ প্ৰতিশ্ৰুতিবদ্ধতাৰে কাম কৰিবলৈ আহ্বান জনাইছে।

৩। অসম চৰকাৰে গুৱাহাটী, ডিব্ৰুগড় আৰু শিলচৰৰ দোকান-পোহাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ ২৪ ঘণ্টাই খোলা ৰখাৰ অনুমতি প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৪। ইজৰাইলে গাজাত পুনৰ সামৰিক অভিযান আৰম্ভ কৰাৰ পাছত হামাছে প্ৰথম প্ৰত্যাক্ৰমণৰূপে টেল আভিভ চহৰলৈ লক্ষ্য কৰি ৰকেট নিক্ষেপ কৰিছে।

*আৰু*

৫। ভাৰতৰ শংকৰ সুব্ৰমণিয়ন ছুইচ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিকশিত ভাৰত নিৰ্মাণৰ প্ৰথম খোজ হিচাপে গাঁওসমূহক বিকশাই তোলাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। গুজৰাটৰ ভৰৱাড় সমাজৰ সৈতে জড়িত বাৱলিয়লি ধাম অনুষ্ঠানত ভিডিঅ' কন্সফাৰেন্সিং ব্যৱস্থাৰে ভাষণ দি শ্ৰীমোদীয়ে কালি বিষয়টোত গুৰুত্ব আৰোপ কৰে। শ্ৰীমোদীয়ে ভাষণত সমূহীয়া প্ৰচেষ্টাৰ বিষয়ে আলোকপাত কৰে আৰু লালকিল্লাৰ পৰা দিয়া বিবৃতিৰ বিষয়ে উল্লেখ কৰি সকলোৰে প্ৰচেষ্টাক দেশৰ মহান শক্তি বুলি দোহাৰে। তেওঁ লগতে আধুনিকতাৰ মাধ্যমেৰে সম্প্ৰদায়সমূহক সবল কৰি তোলাৰ বাবে শিক্ষাৰ গুৰুত্বৰ বিষয়েও উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে ভৰৱাড় সমাজৰ শিশুসকলক বিশেষকৈ কন্যাসকলক শিক্ষাৰ ক্ষেত্ৰত উৎকৰ্ষতা সাধন কৰি এখন শক্তিশালী সমাজ গঢ়াৰ ক্ষেত্ৰত অৱদান আগবঢ়াবলৈ আহ্বান জনায়। তেওঁ লগতে সেৱাৰ প্ৰতি নিষ্ঠা, প্ৰকৃতিৰ প্ৰতি প্ৰেম আৰু গো সংৰক্ষণৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ বাবে সম্প্ৰদায়টোক ভূয়সী প্ৰশংসা কৰে। চবকা জাতীয় ভৰি আৰু মুখৰ ৰোগ প্ৰতিৰোধৰ বাবে চৰকাৰে ৰূপায়ণ কৰা বিনামূলীয়া প্ৰতিষেধক প্ৰদান কাৰ্যসূচীৰ বিষয়ে আলোকপাত কৰি শ্ৰীমোদীয়ে সম্প্ৰদায়টোক তেওঁলোকৰ গৰু-মহৰ নিয়মীয়া প্ৰতিষেধক নিশ্চিত কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে চৰকাৰে পশুপালকসকলৰ বাবে কিষাণ ক্ৰেডিট কাৰ্ড প্ৰণয়ন কৰিছে আৰু ইয়াৰ ফলত পশুপালকসকলে ব্যৱসায়ৰ সম্প্ৰসাৰণৰ বাবে কম সূদৰ হাৰত ঋণ লাভ কৰিবলৈ সমৰ্থ হৈছে। পশুধনৰ থলুৱা প্ৰজাতিৰ সংৰক্ষণৰ বিষয়ত গুৰুত্ব আৰোপ কৰি শ্ৰীমোদীয়ে ৰাষ্ট্ৰীয় গোকুল অভিযানক এনে প্ৰজাতিৰ

সংৰক্ষণ আৰু বিকাশৰ গুৰুত্বপূৰ্ণ উদ্যম আখ্যা দিয়ে। তেওঁ সম্প্ৰদায়টোক এনে উদ্যমসমূহৰ পূৰ্ণ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। শ্ৰীমোদীয়ে প্ৰাকৃতিক খেতিত গুৰুত্ব আৰোপ কৰে আৰু মাটিৰ পুনৰুজ্জিৱীতকৰণৰ বাবে এই ব্যৱস্থা আঁকোৱালি ল'বলৈ ভৰৱাড় সমাজৰ প্ৰতি আহ্বান জনায়। ঐতিহাসিক মহাকুম্ভৰ সৈতে জড়িত অপাৰ আনন্দ আৰু গৌৰৱৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এই পৱিত্ৰ উপলক্ষ্যত মহন্ত শ্ৰীৰাম বাপুজীক মহামণ্ডলেশ্বৰ উপাধিৰে বিভূষিত কৰাৰ কথা স্মৰণ কৰে। তেওঁ ইয়াক অভূতপূৰ্ব সাফল্য আৰু সকলোৰে বাবে আনন্দৰ উৎস আখ্যা দিয়ে।

ooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ৪৫ হাজাৰ কোটি ডলাৰৰ সেৱা ৰপ্তানিৰ লক্ষ্যত উপনীত হোৱাৰ বাবে চৰকাৰ আৰু তথ্য প্ৰযুক্তি খণ্ডক যৌথ প্ৰতিশ্ৰুতিবদ্ধতাৰে কাম কৰিবলৈ আহ্বান জনাইছে। নতুন দিল্লীত কালি নাছকম গোলকীয় সমাৰেশত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে আহ্বান জনায়। শ্ৰীগোৱেলে ২০২৫-২৬ বিত্তীয় বৰ্ষত দেশত সেৱা ৰপ্তানিৰ পৰিমাণে সামগ্ৰী ৰপ্তানি চেৰ পেলাব পাৰে বুলি আৰু এই ক্ষেত্ৰত তথ্য প্ৰযুক্তি খণ্ডৰ অৱদান অগ্ৰণী হ'ব বুলি আশ্বাস ব্যক্ত কৰে। চলিত বৰ্ষত সেৱা ৰপ্তানী বৃদ্ধি পাই ৩৮ হাজাৰ কোটি ডলাৰৰ পৰা ৩৮ হাজাৰ ৫০০ ডলাৰ হ'ব পাৰে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয় কয়, যে ইয়াৰ ফলত গোলকীয় পৰ্যায়ত দেশৰ সেৱা খণ্ডৰ স্থিতি সবল হ'ব। শ্ৰীগোৱেলে তথ্য প্ৰযুক্তি খণ্ডৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, পৰ্যটন, ব্যৱসায়িক হিচাপ ৰক্ষণ আৰু বিত্তীয় সেৱা ক্ষেত্ৰৰ দ্ৰুত বিকাশৰ বিষয়ে উল্লেখ কৰে আৰু খণ্ডটোত কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টিৰ সম্ভাৱনাত গুৰুত্ব আৰোপ কৰে। দেশৰ বিশাল প্ৰতিভাৰ সুবিধা গ্ৰহণ কৰি দেশলৈ গোলকীয় সামৰ্থ কেন্দ্ৰসমূহক আকৰ্ষিত কৰাৰ আৱশ্যকতাৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে কালি নতুন দিল্লীত বলিভিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী চেলিণ্ডা ছ'ছা লুণ্ডাৰ সৈতে দ্বিপাক্ষিক সহযোগিতা সন্দৰ্ভত বিতং আলোচনাত মিলিত হয়। আলোচনাকালত দুয়োপক্ষই তৎকালীনভাৱে প্ৰভাৱ প্ৰদৰ্শন কৰিব পৰা প্ৰকল্পবিষয়ক এটা চুক্তিত স্বাক্ষৰ কৰে। শেহতীয়াকৈ লা পাজত নতুন ভাৰতীয় দূতাবাস মুকলি হোৱাটোৱে ভাৰত আৰু বলিভিয়াৰ সহযোগিতা ত্বৰান্বিত কৰাৰ সংকল্পক প্ৰতিফলিত কৰিছে বুলি সামাজিক মাধ্যমত লিখা এটা পোষ্টত ড° জয়শংকৰে উল্লেখ কৰে। কালি আলোচনাকালত প্ৰকল্পৰ চুক্তিত স্বাক্ষৰ কৰাটো এই দিশত আন এটা পদক্ষেপ বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

বিজেপিয়ে আজি দলৰ সদস্যসকলক লোকসভাত উপস্থিত থাকিবলৈ হুইপ জাৰি কৰিছে। সদনত কেন্দ্ৰীয় বাজেট সন্দৰ্ভত বিভিন্ন মন্ত্ৰালয়ৰ দাবী মঞ্জুৰি প্ৰস্তাৱক লৈ ভোটগ্ৰহণৰ সম্ভাৱনালৈ চাই এই হুইপ জাৰী কৰা হৈছে।

ooooo

অসম চৰকাৰে গুৱাহাটী, ডিব্ৰুগড় আৰু শিলচৰৰ দোকান-পোহাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ ২৪ ঘণ্টাই খোলা ৰখাৰ অনুমতি প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ডিব্ৰুগড়ত কালি এখন সংবাদ মেলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে ৰাজ্যিক মন্ত্ৰীসভাই গুৱাহাটী, ডিব্ৰুগড় আৰু শিলচৰত সুৰাৰ বিপণীৰ

বাহিৰে বাকী সকলো দোকান-পোহাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠান ২৪ ঘণ্টাই খোলা ৰখাৰ নীতিত অনুমোদন দিছে। তেওঁ লগতে ৰাজ্যখনৰ বাকী চহৰসমূহত দোকান-পোহাৰ নিশা ২ বজালৈ আৰু গ্ৰামাঞ্চলত নিশা ১১ বজালৈ খোলাৰ অনুমতি প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে। অৱশ্যে কৰ্মচাৰীসকলে সৰ্বাধিক ৯ ঘণ্টা কাম কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ডঃ শৰ্মাই কয় যে দোকান-পোহাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ ২৪ ঘণ্টাই খোলা ৰাখিবলৈ হ'লে কৰ্মচাৰীসকলক তিনিটা ছিফ্টত নিয়োগ কৰিব লাগিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত আমূল পৰিৱৰ্তন হৈছে আৰু অঞ্চলটোত উন্নত পথ, ৰে'ল আৰু বিমান যোগাযোগ ব্যৱস্থা গঢ়ি উঠিছে বুলি ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙে উল্লেখ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি গেংটকৰ পলজোৰ ষ্টেডিয়ামত আয়োজিত অষ্টম উত্তৰ-পূব যুৱ মহোৎসৱত অংশগ্ৰহণ কৰি এইদৰে প্ৰকাশ কৰে। শ্ৰীতামাঙে উত্তৰ-পূৰ্বাঞ্চলক অষ্ট লক্ষ্মী হিচাপে স্বীকৃতি প্ৰদান আৰু উন্নতি ২০২৪, ষ্টাৰ্ট আপ ইণ্ডিয়া আৰু ষ্টেণ্ডআপ ইণ্ডিয়াৰ লেখীয়া উদ্যমৰ জৰিয়তে অঞ্চলটোলৈ অহৰহ সহায় সমৰ্থন আগবঢ়োৱাৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত এন এছ এছৰ স্বয়ংসেৱক, নেহেৰু যুৱ কেন্দ্ৰ সংগঠনৰ সদস্য আৰু বিষয়াকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৫৫২ গৰাকী অংশগ্ৰহণকাৰীয়ে ভাগ লৈছে।

০০০০০

উত্তৰাখণ্ডৰ চলিত বৰ্ষৰ চাৰি ধাম যাত্ৰাৰ বাবে পঞ্জীয়ন প্ৰক্ৰিয়া সম্প্ৰতি আৰম্ভ হৈছে। এইবেলি এই যাত্ৰাৰ বাবে আধাৰৰ জৰিয়তে পঞ্জীয়নৰ ব্যৱস্থা কৰা হৈছে। সেই অনুসৰি আগ্ৰহী ভক্তসকলে নিজৰ নিজৰ নাম পঞ্জীয়নৰ বাবে আধাৰ কাৰ্ডৰ বিস্তৃত তথ্য দাখিল কৰিব লাগিব।

চাৰি ধাম যাত্ৰাৰ সময়ত তীৰ্থযাত্ৰীসকল কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নোহোৱাটো নিশ্চিত কৰাৰ উদ্দেশ্যে ৬০ শতাংশ পঞ্জীয়ন অনলাইন ব্যৱস্থাৰ জৰিয়তে আৰু বাকী ৪০ শতাংশ অফলাইন ব্যৱস্থাৰে সম্পন্ন কৰা হ'ব। এই প্ৰক্ৰিয়া অধিক ত্বৰান্বিত কৰি তোলাৰ উদ্দেশ্যে হৰিদ্বাৰ আৰু হৃষিকেশকে ধৰি যাত্ৰাপথৰ বিভিন্ন ঠাইত পঞ্জীয়ন কেন্দ্ৰৰ সংখ্যাও বৃদ্ধি কৰা হ'ব। আগ্ৰহী তীৰ্থযাত্ৰীসকলে registrationandtouristcare.uk.gov.in ৱেবছাইটৰ জৰিয়তে অনলাইন ব্যৱস্থাৰে নাম পঞ্জীয়ন কৰিব পাৰিব। তীৰ্থযাত্ৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি পৰ্যটন বিভাগে এইবেলি এই যাত্ৰাৰ ৪০ দিন পূৰ্বেই অনলাইন পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

০০০০০

ইজৰাইলে গাজাত পুনৰ সামৰিক অভিযান আৰম্ভ কৰাৰ পাছত প্ৰথম প্ৰত্যাক্ৰমণৰূপে হামাছে টেল আভিভ চহৰত ৰকেট নিক্ষেপ কৰিছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে জনোৱা অনুসৰি এটা ৰকেট প্ৰতিহত হোৱাৰ বিপৰীতে বাকী দুটা জনবসতিহীন এলেকাত বিস্ফোৰিত হয়। ইফালে গাজাৰ হামাছ পৰিচালিত স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি মাজনিশাৰ পৰা ইজৰাইলে আকাশী পথেৰে কৰা আক্ৰমণত পেলেষ্টাইনৰ কমেও ৮৫ জন লোক নিহত হৈছে। শেহতীয়া আক্ৰমণত ১৩৩ জন লোক আহত হোৱা বুলিও মন্ত্ৰালয়ে উল্লেখ কৰে। ইজৰাইলৰ স্থল বাহিনীয়ে জানুৱাৰী মাহৰ যুদ্ধবিৰতিৰ পাছত যোৱা বুধবাৰে প্ৰথমবাৰৰ বাবে গাজাত

প্ৰৱেশ কৰি এটা গুৰুত্বপূৰ্ণ কৰিড'ৰ দখল কৰে। ইজৰাইল চৰকাৰে দাবী কৰিছে যে হামাছে এতিয়াও ৫৯ জন লোকক পণবন্দী কৰি ৰাখিছে আৰু ইয়াৰে ২৪ জন লোকহে জীৱিত অৱস্থাত আছে বুলি ধাৰণা কৰা হৈছে। ইপিনে ৰাষ্ট্ৰসংঘৰ সাহায্য আৰু কৰ্ম সংস্থা, U N R W Aৰ মুৰব্বী ফিলিপ লাজাৰিনিয়ে শেহতীয়াকৈ সংঘটিত আক্ৰমণত নিহতসকলৰ ভিতৰত সংস্থাটোৰ পাঁচজন কৰ্মচাৰীও আছে বুলি প্ৰকাশ কৰিছে। শত্ৰুতাৰ পৰ্যায়লৈ ঘূৰি অহাৰ ফলস্বৰূপে বাকী পণবন্দীসকলকে ধৰি সকলো নাগৰিক বিপদত পৰা বুলি ৰাষ্ট্ৰসংঘই সকীয়াই দিছে। ৰাষ্ট্ৰসংঘৰ মধ্যপ্ৰাচ্যৰ সহকাৰী সচিব প্ৰধান খালেদ খিয়াৰীয়ে কৈছে যে প্ৰতিটো দিনৰ নতুন নতুন হিংসাই পণবন্দীসকলৰ মুক্তি নিশ্চিত কৰাৰ প্ৰচেষ্টাক আৰু অধিক জটিল কৰি তুলিছে।

ooooo

ভাৰতৰ শংকৰ সুব্ৰমণিয়ন ছুইজাৰলেণ্ডৰ বাছেলত অনুষ্ঠিত ছুইচ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকী আজি কোৱাৰ্টাৰ ফাইনেলত ফ্ৰান্সৰ ক্ৰিষ্টো প'প'ভৰ মুখামুখি হ'ব।

মহিলাৰ ডাবলছত ভাৰতৰ ত্ৰিষা জলি আৰু গায়ত্ৰী গোপীচান্দৰ যুটিটোও কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছেমি ফাইনেলত স্থান নিশ্চিত কৰাৰ উদ্দেশ্যে ভাৰতীয় যুটীটো আজি হংকঙৰ য়েউং ঙা টিং আৰু য়েউং পুই লামৰ যুটীটোৰ সন্মুখীন হ'ব।

ooooo

**সমাপ্ত**